**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৮১**

**মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে বিনামূলীয়া ৰোগ নিৰ্ণায়ক সেৱা**

## ৰাজ্যখনৰ গৰীৱ জনসাধাৰণৰ স্বাস্থ্য সেৱা উপলব্ধকৰণৰ দিশত

## এই আঁচনিয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ মে’ ঃ** ৰাজ্যখনৰ স্বাস্থ্য সেৱা উন্নীতকৰণৰ দিশত গ্ৰহণ কৰা সৰল পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এক কাৰ্যসূচীৰ জৰিয়তে ভিডিঅ’ লিংক ব্যৱস্থাৰ জৰিয়তে ৰাজ্যখনৰ ১৬ খন জিলাত একেলগে মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণায়ক সেৱাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে।

মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণায়ক সেৱাৰ জৰিয়তে ৰাজ্যখনৰ চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানসমূহত নূন্যতম ৰোগ নিৰ্ণয়ৰ ব্যৱস্থা উপলব্ধকৰণৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ উভয় পৰিয়ালৰ ৰোগীক সামৰি চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানত চিটি স্কেন, ৰঞ্জন ৰশ্মি সেৱা আৰু লেব’ৰেটৰী সেৱা বিনামূলীয়া কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এই সেৱা মুকলি কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ স্বাস্থ্য সেৱাৰ দিশত ইয়ে এক নতুন যুগৰ সূচনা কৰিব বুলি কয় আৰু ৰাজ্যখনৰ গৰীৱ জনসাধাৰণে ইয়াৰ দ্বাৰা যথেষ্ট উপকৃত হ’ব বুলিও কয়। এই প্ৰসংগত তেওঁ আৰু কয় যে ৰাজ্যখনৰ গৰীৱ জনসাধাৰণে ৰোগ নিৰ্ণয়ৰ ক্ষেত্ৰত এই আঁচনিখনে যথেষ্ট সহায় কৰিব আৰু ৰোগ নিৰ্ণয়ৰ উন্নত ব্যৱস্থাৱলীয়ে ৰাজ্যখনৰ স্বাস্থ্য সেৱা খণ্ডৰ মান উন্নীতকৰণৰ দিশতো যথেষ্ট খিনি সহায় কৰিব।

স্বাস্থ্য ঠিকে নাথাকিলে এগৰাকী ব্যক্তিয়ে কেৱল সপোন দেখিব পাৰে, কিন্তু সেই সপোন বাস্তৱায়িত কৰিব নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ জনসাধাৰণক এই নতুন আঁচনিখনে প্ৰদান কৰা সা-সুবিধাসমূহ গ্ৰহণ কৰি লাভান্বিত হোৱাৰ বাবেও আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই নতুন পদক্ষেপক ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সংস্কাৰৰ দ্বিতীয় সংস্কৰণ হিচাপে অভিহিত কৰে। এই প্ৰসংগত তেওঁ আৰু কয় যে স্বাস্থ্য খণ্ডৰ প্ৰাথমিক পৰিকাঠামো ইতিমধ্যে আমি গঢ়ি তুলিছো। এতিয়া ইয়াক পৰৱৰ্তী পৰ্যায়লৈ লৈ যোৱাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে স্বাস্থ্য খণ্ডৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকলক ৰাজ্যখনৰ জনসাধাৰণক সেৱা প্ৰদানৰ মান উন্নীত কৰাৰ বাবে বিহিত ব্যৱস্থা লোৱাৰ বাবে আহ্বান জনায়।

স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে লগতে কয় যে মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণায়ক সেৱাৰ উপৰি অলপতে প্ৰাৰম্ভণ কৰা অটল অমৃত অভিযান আৰু চাহ বাগিছাৰ ভ্ৰাম্যমাণ চিকিৎসা গোট সমূহে ৰাজ্যখনৰ স্বাস্থ্যখণ্ডত বৃহৎ পৰিৱৰ্তনৰ সূচনা কৰিব।

উল্লেখ্য যে আজি প্ৰাৰম্ভণ কৰা এই আঁচনিখনৰ অধীনৰ ১৬ টা চিটি স্কেন কেন্দ্ৰ ইতিমধ্যে কাৰ্যক্ষম হৈ উঠিছে আৰু আগন্তুক দুই মাহৰ ভিতৰত বাকী থকা ১২ টা কেন্দ্ৰ কাৰ্যক্ষম হৈ উঠিব। স্বাভাৱিক ক্ষেত্ৰত চিটিস্কেনৰ ৰিপৰ্ট ৬ ঘন্টাৰ ভিতৰত আৰু জটিলতা থাকিলে ২ ঘন্টাৰ ভিতৰত ৰিপৰ্ট ৰোগীসকলক প্ৰদান কৰা হ’ব। এই আঁচনিৰ অধীনত চিটিস্কেন সেৱা সম্পূৰ্ণ বিনামূলীয়া হ’ব। এই আঁচনিৰ অধীনত স্থাপন কৰা চিটি স্কেন মেচিন সমূহ ভাৰত চৰকাৰৰ ‘মেক ইন ইণ্ডিয়া’ পদক্ষেপৰ দ্বাৰা প্ৰস্তুত কৰা উদ্যোগৰ পৰা গ্ৰহণ কৰা হৈছে। ঠিক তেনেদৰে ৰাজ্যখনৰ সৰ্বমুঠ ৯৯ টা স্বাস্থ্য প্ৰতিষ্ঠানক টেলি ৰেডিঅ’লজি ব্যৱস্থাৰে সংযুক্ত কৰা হৈছে। আজি ৭২ টা কেন্দ্ৰত এই সেৱা আৰম্ভ হৈছে আৰু বাকী কেন্দ্ৰ সমূহো অচিৰেই কাৰ্যক্ষম হৈ

উঠিব। ইয়াৰ অধীনৰ এক্সৰে সেৱা সম্পূৰ্ণ বিনামূলীয়া হ'ব। ৰাজ্যখনৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, সামূহিক স্বাস্থ্য কেন্দ্ৰ আৰু জিলা হাস্পতালত হাব আৰু স্প'ক আৰ্হিৰে লেব'ৰেটৰী সেৱা বিনামূলীয়া কৰা হৈছে। ২৮ খন জিলাত জিলা লেবৰেটৰী হাব প্ৰতিষ্ঠা কৰা হৈছে। এই লেবৰেটৰী হাব সমূহ উন্নত ৰোগ নিৰ্ণয়ৰ সামগ্ৰী তথা প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে। লেব'ৰেটৰী সেৱাৰ ক্ষেত্ৰত স্বাভাৱিক অৱস্থাত ২৪ ঘন্টাৰ ভিতৰত আৰু জটিলতা থাকিলে তিনি ঘন্টাৰ ভিতৰত ৰিপৰ্ট প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয়ক সেৱাৰ জৰিয়তে সৰ্বমুঠ ৫৬ টা পৰীক্ষা সম্পন্ন কৰা হ'ব।

আজিৰ এই শুভাৰম্ভণি অনুষ্ঠানত সাংসদ আৰ পি শৰ্মা, বিধায়ক বলীন চেতিয়া, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব বিনোদ কুমাৰ পিপাৰচেনীয়া, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ড° পি অশোক বাবুৰ লগতে স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

বীঃগঃ / বঃভাঃ / পুঃডেঃ
১১/৫/২০১৭